অসম বিধান সভা

তৰাচিহ্নিত প্ৰশ্ন নং : ৪৬

উত্তৰ দানৰ তাৰিখ –০৮/০৭/২০২৬

*বিষয়:* **চৰকাৰী আৱাস/ GEO-TAG।**

বিধায়ক: শ্ৰী তাঞ্জিল হুছেইন ঃ

<u>প্ৰশ্ন</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০২৫-২৬ বিত্তীয় বৰ্ষত অসমত সৰ্বমুঠ কিমানটা পৰিয়ালৰ GEO-TAG কৰা হ'ল আৰু কিমান পৰিয়ালৰ চৰকাৰী আৱাসৰ কাৰণে GEO-TAG কৰিবলৈ বাকী আছে ?

(খ) উক্ত বিত্তীয় বৰ্ষত ৫৮ নং চামগুৰী বিধানসভা সমষ্টিত চৰকাৰী আৱাস যোজনাৰ কাৰণে কিমান পৰিয়ালৰ GEO-TAG কৰা হ'ল আৰু কিমানটা পৰিয়াল GEO-TAG কৰিবলৈ বাকী আছে ? বাকী থকা পৰিয়াল সমূহৰ কেতিয়ালৈ GEO-TAG কৰিব ?

(গ) GEO-TAG কৰা কিমানটা পৰিয়ালে বৰ্তমানলৈকে চৰকাৰী আৱাস যোজনাৰ ঘৰ লাভ কৰিলে ?

(ঘ) চৰকাৰী আৱাস যোজনাৰ ঘৰৰ নামত লাভ কৰা ধনৰ পৰিমাণ কিমান ? এই ধন হিতধিকাৰীক কেইটা কিস্তিত, কি পৰিমাণে কিমান দিনৰ ব্যৱধানত দিয়া হ'য় ? (বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

<u>উত্তৰ</u>

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণৰ অধীনত Awaas+ 2024 জৰীপৰ জৰিয়তে বিত্তীয় বৰ্ষ ২০২৫-২৬ ত অসমত ৩৪,৯৯,১৪৪ টা পৰিয়ালৰ জৰীপ কৰা হৈছে আৰু এই পৰিয়ালসমূহক প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ গৃহ নিৰ্মাণৰ বাবে PMAY-G Framework for Implementationৰ অনুসৰি সঠিক চিনাক্তকৰণ আৰু তালিকা উন্নীতকৰণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে।

(খ) বিত্তীয় বৰ্ষ ২০২৫-২৬ ত ৫৮ নং চামগুৰী বিধানসভা সমষ্টিৰ অৰ্ন্তগত গৰাজন আৰু চিংগিমাৰী উন্নয়ন খণ্ডৰ অধীনত Awaas+ 2024 জৰীপ হোৱা পৰিয়ালৰ সংখ্যা ৪৩,৪১৪। ইয়াৰ সবিশেষ তথ্য তলত উল্লেখ কৰা হ'ল-

| উন্নয়ন খণ্ড ৰ নাম | Awaas+2024 জৰীপ হোৱা পৰিয়ালৰ সংখ্যা |
|---|---|
| গৰাজন | ২০,৯৫২ |
| চিংগিমাৰী | ২২,৪৬২ |
| মুঠ | ৪৩,৪১৪ |

(গ) অসমত ইতিমধ্যে প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত Awaas+ 2024 জৰীপৰ জৰিয়তে ৩৪,৯৯,১৪৪ টা পৰিয়ালৰ জৰীপ কৰা হৈছে আৰু PMAY-G Framework For Implementation ৰ ভিত্তিত যোগ্য হিতাধিকাৰীৰ সঠিক চিনাক্তকৰণ আৰু তালিকা উন্নীতকৰণ কৰি এখন Permanent Wait List (PWL) ৰ তালিকা প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়া চলি আছে। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিচত ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ পৰা অসমৰ বাবে লক্ষ্য (target) ধাৰ্য কৰা হ'ব। লক্ষ্য লাভ কৰাৰ পিছত Permanent Wait List (PWL)- System Generated Priority অনুসৰি ক্ৰমিকভাৱে অন্তৰ্ভুক্ত যোগ্য হিতাধিকাৰীসকলক প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ গৃহ অনুমোদন দি নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হ'ব।

(ঘ) ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ে অসমত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত এটা ঘৰৰ বিপৰীতে ১,৩০,০০০ টকা ধাৰ্য্য কৰিছে। প্ৰতিজন হিতাধিকাৰীক ব্যক্তিগত বেংক একাউণ্টত তেঁওলোকৰ নিজৰ গৃহ নিৰ্মাণৰ বাবে ৩ টা কিস্তিত, ক্ৰমে ১ম কিস্তি হিচাবে ৩২,৫০০ টকা, ২য় আৰু ৩য় কিস্তি হিচাবে ৪৮,৭৫০ টকা Direct Benefit Transfer (DBT) ৰ জৰিয়তে কামৰ অগ্ৰগতিৰ লগত সামঞ্জস্য ৰাখি মুকলি কৰি দিয়া হৈ আছে। ইয়াৰ উপৰিও, হিতাধিকাৰীয়ে Viksit Bharat-Guarantee for Rozgar and Ajeevika Mission Gramin ৰ অধীনত প্ৰতিদিনে ৩০০ টকাকৈ ৯৫ দিনৰ অদক্ষ শ্ৰমৰ সুবিধাও লাভ কৰিব।

*******